**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-05-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

:::::::::::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত - ই এফ টি এ বাণিজ্য আৰু অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিয়ে ভাৰত আৰু নৰৱেৰ মাজত প্ৰগতিৰ এটা মাইলৰ খুটি হিচাপে কাম কৰিব বুলি উল্লেখ কৰিছে।

২। পশ্চিমবংগ চৰকাৰে নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি দুৰ্নীতি আৰু মহিলাৰ ওপৰত চলোৱা অত্যাচাৰৰ তদন্তৰ বাবে দুখন তদন্ত আয়োগ গঠন কৰিছে।

৩। কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা - চিবিআইয়ে নীট পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল সন্দৰ্ভত ১০ গৰাকী লোকক গ্ৰেপ্তাৰ কৰিছে।

৪। সৌৰভ বিজয়ে আজি ভাৰতীয় অনন্য পৰিচিতি প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া হিচাপে দায়িত্ব গ্ৰহণ কৰে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ এখন খেলত চেন্নাই ছুপাৰ কিংছ -ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু নৰৱেৰ প্ৰধানমন্ত্ৰী জোনাচ গহৰ ষ্টোৰে অচলোত প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হয়। স্বচ্ছ শক্তি, সামুদ্ৰিক অৰ্থনীতি, আৰু সেউজ পৰিৱৰ্তনৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ বাবে এটা উল্লেখযোগ্য মাইলৰ খুটি হিচাপে দেশ দুখনৰ সম্পৰ্ক সেউজ কৌশলগত অংশীদাৰিত্বলৈ উন্নীত কৰাৰ ক্ষেত্ৰত দুযোগৰাকী নেতাই সন্মতি প্ৰকাশ কৰে। দুয়োখন দেশৰ দ্বিপাক্ষিক সম্পৰ্ক পৰ্যালোচনা কৰি বাণিজ্য আৰু বিনিয়োগ, সামুদ্ৰিক অৰ্থনীতি, নৱীকৰণযোগ্য শক্তি, শিক্ষা, বিজ্ঞান আৰু প্ৰযুক্তি, কৃত্ৰিম বুদ্ধিমত্তা, মহাকাশ আৰু সুমেৰু অঞ্চলকে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতা অধিক শক্তিশালী কৰাৰ বাবে নেতা দুগৰাকীয়ে সহমত প্ৰকাশ কৰে। দুয়োগৰাকী নেতাই ভাৰত ই এফ টি এ বাণিজ্য আৰু অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিৰ দ্বাৰা বিশেষকৈ বাণিজ্য প্ৰযুক্তি সহযোগিতা আৰু নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সহযোগিতা সম্পৰ্কেও উল্লেখ কৰে। সংবাদ মাধ্যমক সম্বোধন কৰি শ্ৰীমোদীয়ে কয় যে তেওঁ যোৱা বছৰ নৰৱে ভ্ৰমণৰ কথা আছিল যদিও পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ বাবে এই ভ্ৰমণ পিছুৱাবলগীয়া হৈছে। সেই কঠিন সময়ছোৱাত ভাৰতৰ সৈতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে দৃঢ়তাৰে থিয় দিয়াৰ বাবে প্ৰধানমন্ত্ৰীগৰাকীয়ে নৰৱেৰ শলাগ লয়। শ্ৰীমোদীয়ে লগতে কয় যে যোৱা বছৰ কাৰ্যকৰী হোৱা ভাৰত - ই এফ টি এ বাণিজ্য আৰু অৰ্থনৈতিক অংশীদাৰিত্ব চুক্তিয়ে ভাৰত আৰু নৰৱেৰ মাজত প্ৰগতি আৰু সমৃদ্ধিৰ ক্ষেত্ৰত এটা মাইলৰ খুটি হিচাপে কাম কৰিব। ভাৰত প্ৰশান্ত মহাসাগৰীয় পদক্ষেপত নৰৱেৰ অংশগ্ৰহণ কৰাৰ সিদ্ধান্তকো শ্ৰীমোদীয়ে আদৰণি জনায়। দুখন প্ৰধান সামুদ্ৰিক ৰাষ্ট্ৰ হিচাপে দুয়োখন দেশে সামুদ্ৰিক অৰ্থনীতি, সামুদ্ৰিক সুৰক্ষা আৰু সামৰ্থ বিকাশৰ ক্ষেত্ৰত সহযোগিতা অধিক শক্তিশালী কৰিব। ইউক্ৰেইন

আৰু পশ্চিম এছিয়াৰ পৰিস্থিতিৰ কথা উল্লেখ কৰি তেওঁ কয় যে দুয়োখন দেশে শান্তি প্ৰতিষ্ঠাৰ লক্ষ্যৰে কৰা সকলো প্ৰচেষ্টাক সমৰ্থন কৰে। দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে আঞ্চলিক আৰু বিশ্বজনিন বিষয় সন্দৰ্ভত মত বিনিময় কৰে। নৰৱেৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰত আৰু বিশ্বব্যাপি যুজখনত সমৰ্থন আগবঢ়ায়। বহুপক্ষীয় মঞ্চৰ সহযোগিতা বৃদ্ধিৰ বাবেও দুয়োগৰাকী নেতাই সন্মতি প্ৰকাশ কৰে।

ooooo

পশ্চিমবংগ চৰকাৰে নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি দুৰ্নীতি আৰু মহিলাৰ ওপৰত চলোৱা অত্যাচাৰৰ তদন্তৰ বাবে দুখন তদন্ত আয়োগ গঠন কৰিছে। ৰাজ্যৰ মন্ত্ৰীসভাৰ অনুমোদনৰ পাছত আজি মুখ্যমন্ত্ৰী শুভেন্দু অধিকাৰীয়ে এই সিদ্ধান্ত ঘোষণা কৰে। কলকাতা উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিশ্বজিৎ বসুৱে দুৰ্নীতিৰ তদন্ত আয়োগখনৰ নেতৃত্ব দিব। জ্যেষ্ঠ আই পি এছ বিষয়া কে জয়াৰামনক সদস্য সম্পাদক হিচাপে নিযুক্তি দিয়া হৈছে। কলকাতা উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ সমাপ্তি ছেটাৰ্জীয়ে পূৰ্বৰ মমতা বেনাৰ্জী নেতৃত্বাধীন চৰকাৰৰ সময়ছোৱাত মহিলাৰ ওপৰত হোৱা অত্যাচাৰৰ ক্ষেত্ৰত গঠন কৰা তদন্ত আয়োগৰ নেতৃত্ব বহন কৰিব। সংবাদ মাধ্যমক সম্বোধন কৰি ৰাজ্যখনৰ মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অহা মাহৰ প্ৰথম ভাগৰ পৰা দুয়োখন আয়োগৰ কাম-কাজ আৰম্ভ হ'ব। এই তদন্ত দুৰ্নীতি আৰু মহিলাৰ বিৰুদ্ধে অপৰাধৰ গোচৰসমূহ সামৰি লোৱা হ'ব। দুৰ্নীতি তদন্ত আয়োগে পঞ্চায়ত আৰু জিলা পৰিষদকে ধৰি সকলো চৰকাৰী বিভাগ সামৰি লব। মহিলাৰ বিৰুদ্ধে অপৰাধৰ ক্ষেত্ৰত থকা তদন্ত আযোগে ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ আৰু অনুসুচীত জাতি-জনজাতি, অন্যান্য পিছপৰা শ্ৰেণী আয়োগৰ প্ৰতিবেদনসমূহ পুনৰ বিবেচনা কৰিব। আয়োগৰ সদস্যসকলে তেওঁলোকৰ তদন্তৰ অংশ হিচাপে সমগ্ৰ পশ্চিমবংগৰ আৰক্ষী থানা আৰু বিভিন্ন স্থান পৰিদৰ্শন কৰিব পাৰিব।

ooooo

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা - চিবিআইয়ে নীট পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল সন্দৰ্ভত ১০ গৰাকী লোকক গ্ৰেপ্তাৰ কৰিছে। চিবিআইয়ে এই অভিযুক্ত কেইজনক দিল্লী, জয়পুৰ, গুৰুগ্ৰাম, নাচিক, পুণে, লাটুৰ, অহলিয়া নগৰৰ বিভিন্ন স্থানৰ পৰা গ্ৰেপ্তাৰ কৰে। যোৱা ২৪ ঘণ্টাত সংস্থাটোৱে ৫ টা বিভিন্ন স্থানত তালাচী অভিযান চলাই বহু আপত্তিজনক নথিপত্ৰ, লেপটপ, মোবাইল ফোনকে ধৰি বিভিন্ন সামগ্ৰী জব্দ কৰিছে। নীট পৰীক্ষাৰ পূৰ্বে ৰসায়ন বিজ্ঞান আৰু জীৱবিজ্ঞানৰ প্ৰশ্ন ফাদিলৰ সৈতে জড়িত প্ৰকৃত উৎস উদ্ঘাটনৰ বাবে সংস্থাটোৱে এই অভিযান অব্যাহত ৰাখিছে। চি বি আইয়ে এই ঘটনাৰ সৈতে জড়িত থকাৰ সন্দেহত আৰ চি চি কোচিং প্ৰতিষ্ঠানৰ শিক্ষক শিৱৰাজ মোটেগাওঁকাৰক গ্ৰেপ্তাৰ কৰিছে। এই প্ৰতিষ্ঠানটোৰ দেশৰ ৯ টা বিভিন্ন স্থানত শাখা আছে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আজি দুপৰীয়া ভিয়েটনামৰ হানৈত উপস্থিত হয়। ভিয়েটনাম আৰু দক্ষিণ কোৰিয়াৰ দ্বিদেশীয় ভ্ৰমণসূচীৰে আজি ৰাওনা হোৱা প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যম যোগে দিয়া বাৰ্তাত কয় যে, দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ বাবে তেওঁ ভ্ৰমণৰ পৰিকল্পনা লৈছে। এই ভ্ৰমণ কালত কৌশলগত সামৰিক সহযোগিতা বৃদ্ধি, প্ৰতিৰক্ষা ঔদ্যোগিক অংশীদাৰিত্ব, সামুদ্ৰিক সহযোগিতা আৰু ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলত শান্তি আৰু সুস্থিৰতা বৰ্তাই ৰখাৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। ভিয়েটনাম ভ্ৰমণৰ সময়ছোৱাত শ্ৰীসিঙে দেশখনৰ প্ৰতিৰক্ষা মন্ত্ৰী জেনেৰেল ফান ৱান জিয়াঙৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। শ্ৰীসিঙে কাইলৈ দেশখনৰ প্ৰাক্তন ৰাষ্ট্ৰপতি হো ছি মিনহ্‌ৰ ১৩৪ সংখ্যক জয়ন্তীৰ অনুষ্ঠানত

দক্ষিণ কোৰিয়া ভ্ৰমণৰ সময়ছোৱাত শ্ৰীসিঙে দেশখনৰ প্ৰতিৰক্ষা মন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হয়। মন্ত্ৰীদ্বয়ে দেশ দুখনৰ মাজৰ প্ৰতিৰক্ষা সহযোগিতা সন্দৰ্ভত পৰ্যালোচনা চলোৱাৰ লগতে দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাত ন -ন পদক্ষেপৰ বিষয়েও আলোচনা কৰিব।

০০০০০

সৌৰভ বিজয়ে আজি ভাৰতীয় অনন্য পৰিচিতি প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া হিচাপে দায়িত্ব গ্ৰহণ কৰে। শ্ৰীবিজয় ১৯৯৮ চনত মহাৰাষ্ট্ৰ কেডাৰৰ এগৰাকী আই এ এছ বিষয়া আছিল। ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি শ্ৰীবিজয়ে তেওঁৰ কৰ্মজীৱনত মহাৰাষ্ট্ৰ চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ কেইবাটাও পদত অধিস্থিত হৈছিল। নতুন দিল্লীৰ ৰাষ্ট্ৰপতি সচিবালয়ৰ সঞ্চালক, বিশ্ববেংকত বাংলাদেশ, ভূটান, ভাৰত আৰু শ্ৰীলংকাৰ কাৰ্যবাহী সঞ্চালকৰ উপদেষ্টা হিচাপেও তেখেতে কাৰ্যভাৰ গ্ৰহণ কৰিছিল।

০০০০০

ভাৰতৰ পাৰমানৱিক খণ্ডত ব্যক্তিগত বিনিয়োগ আৰু উদ্যোগ সহযোগিতাৰ সুযোগ সমূহ সন্দৰ্ভত আমেৰিকাৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলে বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী জীতেন্দ্ৰ সিঙৰ সৈতে আলোচনাত অংশগ্ৰহণ কৰে। এই প্ৰতিনিধি দলত আমেৰিকাৰ পাৰমানৱিক উদ্যোগৰ জ্যেষ্ঠ প্ৰতিনিধি, ব্যৱসায়িক অংশীদাৰ তথা দেশ দুখনৰ সৈতে জড়িত বিভিন্ন চৰকাৰী বিষয়াই অংশগ্ৰহণ কৰে। ডঃ সিঙে কয় যে ভাৰত আৰু আমেৰিকাই আজি বিজ্ঞান, প্ৰযুক্তি, স্বচ্ছ শক্তি আৰু উদীয়মান খণ্ডত শক্তিশালী আৰু ভৱিষ্যতমুখী অংশীদাৰিত্বৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সম্পৰ্ক প্ৰতিষ্ঠা কৰিছে। তেওঁ লগতে কয় যে আমেৰিকা-ভাৰত ট্ৰাষ্ট পদক্ষেপৰ আৰম্ভণিয়ে জটিল আৰু গুৰুত্বপূৰ্ণ প্ৰযুক্তিৰ ক্ষেত্ৰত সহযোগিতাৰ নতুন বাট মুকলি কৰিছে। বিকশিত ভাৰত ২০৪৭ ৰ দৃষ্টিভংগীৰ অধীনত ভাৰতৰ দীৰ্ঘম্যাদি স্বচ্ছ শক্তিৰ লক্ষ্যৰ কথা উল্লেখ কৰি ড০ সিঙে কয় যে ভাৰতে ২০৪৭ চনৰ ভিতৰত বৰ্তমানৰ ৮ দশমিক ৮ গিগাৱাটৰ পৰা এশ গিগাৱাটলৈ পাৰমানৱিক শক্তিৰ ক্ষমতা বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে।

০০০০০

ভুৱনেশ্বৰত কাইলৈ পূব আঞ্চলিক কৃষি সন্মিলন অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যান মন্ত্ৰালয়ৰ উদ্যোগৰ এই সন্মিলন কৃষি ক্ষেত্ৰৰ সামগ্ৰিক উন্নয়ন, কৃষকৰ আয় বৃদ্ধি আৰু কেন্দ্ৰ তথা ৰাজ্য চৰকাৰৰ মাজৰ সহযোগিতা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে আয়োজন কৰা হৈছে। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যান মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ অধ্যক্ষতাত এই সন্মিলন অনুষ্ঠিত হ'ব। মন্ত্ৰালয়ে জনোৱা মতে, সন্মিলনত কৃষি আৰু কৃষক কল্যান মন্ত্ৰালয়ৰ বিভিন্ন আঁচনি আৰু কাৰ্যসূচীৰ পৰ্যালোচনা চলোৱাৰ লগতে কৃষি খণ্ডৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰা হ'ব। এই সন্মিলনত কৃষকৰ পঞ্জীয়ন, কৃষি কাৰ্যত বিভিন্ন সুযোগ সৃষ্টি, মাহজাতীয় শস্যৰ উৎপাদনৰ ক্ষেত্ৰত স্বনিৰ্ভৰশীলতা, প্ৰধানমন্ত্ৰী অন্নদাতা আয় সংৰক্ষণ অভিযান, প্ৰাকৃতিক কৃষি পদ্ধতিৰ ৰাষ্ট্ৰীয় অভিযান, কিষাণ ক্ৰেডিট কাৰ্ডৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত আলোকপাত কৰা হ'ব।

০০০০০

দ্যা ব্ৰীজ ফেডাৰেছন অৱ ইণ্ডিয়াই অহা ২১ জুনৰ পৰা ২৭ জুনলৈ গোৱাত সন্মানীয় এচিয়া কাপ ব্ৰীজ ছেম্পিয়নশ্বিপত পঞ্চম সংস্কৰণ অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিছে। প্ৰতিযোগিতাত ভাৰত, চীন, জাপানকে ধৰি এচিয়া আৰু অ'চেনিয়াৰ ২০ খনৰো অধিক আগশাৰীৰ দেশে অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে ৪ বছৰৰ মূৰে মূৰে

এই প্ৰতিযোগিতাৰ আয়োজন কৰি আহিছে। পূৰ্বৰ সংস্কৰণত ভাল খেল প্ৰদৰ্শন কৰা ভাৰতে এইবাৰ উন্নত প্ৰদৰ্শন আগবঢ়োৱাৰ প্ৰয়াস কৰিব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰত ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। টছত জিকি চেন্নাই ছুপাৰ কিংছে প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয়। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

ঃঃ সমাপ্ত ঃঃ